**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-09-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

স্বাধীনতা দিৱসৰ সময়ত ৰাজ্যৰ বিভিন্ন প্ৰান্তত সন্দেহযুক্ত বোমা সদৃশ সামগ্ৰী সংস্থাপনৰ ঘটনাৰ তদন্তৰ অংশ হিচাপে অসম আৰক্ষীয়ে ৰাজ্যৰ বিভিন্ন স্থানত অভিযান চলাই ১৫ জন লোকক আটক কৰে। উল্লেখযোগ্য যে আটক কৰা লোকসকলৰ ভিতৰত তিনিগৰাকী মহিলা। ডিব্ৰুগড় আৰু লখিমপুৰৰ পৰা তিনিজনকৈ লোকক আটক কৰাৰ বিপৰীতে যোৰহাট আৰু গুৱাহাটীৰ পৰা দুজনকৈ লোকক আটক কৰা হয়। ইফালে, তিনিচুকীয়া, শদিয়া, নগাঁও, নলবাৰী, তামুলপুৰৰ পৰা এজনকৈ লোকক আটক কৰা হয়। অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা- এন আই এৰ কাৰিকৰী সহযোগত চলোৱা এই অভিযান বিভিন্ন সূত্ৰৰ পৰা পোৱা চোৰাংচোৱা তথ্যৰ ভিত্তিত চলোৱা হয়। আটক কৰা ব্যক্তিসকলৰ প্ৰাৰম্ভিক জেৰাৰ পাছত অভিযোগনামা দাখিল কৰা হৈছে। আৰক্ষী সূত্ৰই পৰৱৰ্তী জেৰাৰ পাছত ঘটনা সংক্ৰান্তত আৰু অধিক তথ্য পোৱা যাব বুলি আশা কৰা হৈছে।

0000000

ৰাজ্যৰ সমাগত পঞ্চায়ত নিৰ্বাচনত আম আদমী পাৰ্টিয়ে অন্য কোনো দলৰ সৈতে মিত্ৰতা নকৰে বুলি দলৰ নৱনিযুক্ত ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰে আজি গুৱাহাটীত প্ৰকাশ কৰে। দলৰ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত কাৰ্যকৰ্তা সভাত এই বিষয়ে প্ৰকাশ কৰি তেওঁ দলীয় কৰ্মীসকলক সক্ৰিয় ভূমিকা লবলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে, দলটোৱে চৰকাৰ গঠন কৰিবলৈ সমৰ্থ হলে চৰকাৰী শিক্ষা খণ্ডৰ উন্নয়নৰ বাবে দিল্লী আৰু পাঞ্জাব চৰকাৰে গ্ৰহণ কৰা অনুৰূপ ব্যৱস্থা দলেও গ্ৰহণ কৰিব। আজিৰ অনুষ্ঠানত দলৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

0000000

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ১ ডিচেম্বৰৰ পৰিৱৰ্তে ১৫ ডিচেম্বৰত চি-টেট অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। প্ৰশাসনিক কাৰণত ইতিমধ্যে ঘোষণা কৰা চি-টেটৰ দিন সলনি কৰা হৈছে। এই সন্দৰ্ভত পৰিষদে জাৰি কৰা নিৰ্দেশনা অনুসৰি অহা ১৫ ডিচেম্বৰ দেওবাৰে দেশজুৰি চি-টেট অনুষ্ঠিত কৰা হ'ব। পূৰ্বে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ১ ডিচেম্বৰত দেশৰ মুঠ ১৩৬ খন চহৰত চি-টেট অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছিল। ১৭ ছেপ্তেম্বৰৰ পৰা আৰম্ভ হোৱা চি-টেটৰ অনলাইন প্ৰক্ৰিয়াৰ আবেদন অহা ১৬ অক্টোবৰত অন্ত পৰিব।

0000000

নতুন দিল্লীৰ ভাৰত মণ্ডপমত যোৱা ১৯ চেপ্তেম্বৰৰ পৰা ৪ দিনীয়াকৈ অনুষ্ঠিত ৱৰ্ল্ড ফুড ইণ্ডিয়া ২০২৪ ৰ আজি সামৰণি পৰে। এই কাৰ্যসূচীত ৪০ খন সত্ৰ অনুষ্ঠিত হয়। অনুষ্ঠানসমূহত বিভিন্ন ৰাজ্যৰ সংশ্লিষ্ট বিভাগ আৰু কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় তথা সংস্থাসমূহৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত এহেজাৰ ৫৫৭ গৰাকী প্ৰদৰ্শনকাৰীয়ে বিভিন্ন উদ্ভাৱন প্ৰদৰ্শন কৰে। কাৰ্যসূচীত ২০ খন দেশৰ পেভেলিয়ন মুকলি কৰা হয়। ১০৮ খন ৰাষ্ট্ৰৰ ৮০৯ গৰাকী ক্ৰেতা আৰু ২ হেজাৰ ৩৯০গৰাকী বিদেশী প্ৰতিনিধিয়ে এই অনুষ্ঠানত অংশ লয়। উল্লেখযোগ্য যে কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ তথা নতুন আৰু নৱীকৰণযোগ্য শক্তি দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশী আৰু খাদ্য প্ৰসংস্কৰণ উদ্যোগ দপ্তৰৰ মন্ত্ৰী চিৰাগ পাছোৱানে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰিছিল। আনহাতে, এই অনুষ্ঠানৰ প্ৰথম দিনা ভিডিঅ' বাৰ্তাযোগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেন্দ্ৰীয় চৰকাৰে দেশৰ উদ্ভাৱন, বহনক্ষমতা আৰু খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত গোলকীয় মান নিৰ্ধাৰণৰ বাবে বদ্ধপৰিকৰ বুলি মন্তব্য কৰিছিল। তেওঁ কয় যে, ভাৰতৰ বিচিত্ৰ আৰু সমৃদ্ধ খাদ্য সংস্কৃতি আছে আৰু দেশৰ কৃষকসকল খাদ্য ব্যৱস্থাৰ মেৰুদণ্ডস্বৰূপ। তেওঁ কয় যে চৰকাৰে কৃষকসকলক উদ্ভাৱনমূলক নীতি আৰু গুৰুত্ব সহকাৰে আঁচনি ৰূপায়ণৰ দ্বাৰা সহায় কৰি আহিছে। প্ৰগতিশীল কৃষি পদ্ধতিৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে, শক্তিশালী প্ৰশাসনীয় পৰিকাথামো আৰু নতুন প্ৰযুক্তিৰ সহায়ত ভাৰতে খাদ্য প্ৰসংস্কৰণৰ ক্ষেত্ৰত ব্যাপক সংস্কাৰ আৰু ৰূপান্তৰ সাধন কৰিছে। কেন্দ্ৰীয় চৰকাৰে আধুনিক আন্তগাথনিৰ ক্ষেত্ৰত শক্তিশালী পৰিস্থিতিতন্ত্ৰ গঢ়ি তোলাৰ লগতে দেশত কৰ্ম সংস্থাপন সৃষ্টিৰ লক্ষ্যৰে যোগান শৃংখলা সৃষ্টি কৰিছে বুলিও তেও উল্লেখ কৰে। তেওঁ কয় যে খাদ্য প্ৰসংস্কৰণৰ ক্ষেত্ৰত এশ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগ সম্ভৱ হৈছে। প্ৰধানমন্ত্ৰী কিষাণ সম্পদা যোজনাৰ দৰে আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰি তেঁও কয় যে, চৰকাৰে কৃষকসকলৰ লগতে ক্ষুদ্ৰ উদ্যোগসমূহক শক্তিশালী কৰাৰ বাবেও প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৱৰ্ল্ড ফুড ইণ্ডিয়া ২০২৪ ৰ অনুষ্ঠানত বিভিন্ন ৰাষ্ট্ৰৰ অংশগ্ৰহণৰ প্ৰসংগত তেঁও কয় যে, সমগ্ৰ বিশ্বৰ সৈতে একেলগে কাম কৰাৰ বাবে এয়া এখন আদৰ্শ মঞ্চ হিচাপে পৰিগণিত হৈছে।

0000000

স্বচ্ছ ভাৰত অভিযানৰ অংশস্বৰূপে যোৱা ১৭ চেপ্তেম্বৰৰ পৰা দেশজুৰি অব্যাহত থকা স্বচ্ছতা সেৱা কাৰ্যসূচী চৰাইদেউ জিলাতো ৰূপায়ণ কৰা হৈছে। জিলা জনস্বাস্থ্য বিভাগৰ অধীনৰ পানী আৰু অনাময় সমিতিৰ উদ্যোগত গছপুলি ৰোপণ কাৰ্যসূচীৰে এই অভিযানৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক স্বচ্ছতাৰ শপত বাক্য পাঠ কৰোৱা হয়। আনহাতে শিক্ষাৰ্থীসকলৰ মাজত দুটা শাখাত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কৃত কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে আজি লংপটীয়া গাওঁ পঞ্চায়তত পুৱাৰ ভাগত মাৰাথান আৰু প্ৰীতি ফুটবলৰ আয়োজন কৰা হয়। তদুপৰি সোণাৰী পৌৰ সভাৰ দ্বাৰা নিৰ্বাচিত ৫ গৰাকী ছাফাই শ্ৰমিকক ছাফাই মিত্ৰ সুৰক্ষা কাৰ্ড প্ৰদান কৰা হয়।

০০০০০০০

মাজুলীৰ চৰাইচোঙক পক্ষী পৰ্যটন উদ্যোগৰূপে গঢ় দিয়াৰ উদ্দেশ্যে আজি ২ নম্বৰ গড়মুৰ সদৰ প্ৰাথমিক বিদ্যালয়ত মাজুলীৰ সাহিত্য নামৰ সংগঠনৰ উদ্যোগত চৰাইচোঙ পক্ষী পৰ্যটন টুৰিষ্ট গাইডৰ এদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত মাজুলীৰ দুগৰাকী গাইড মনজিত ৰিজং আৰু মিতু খাটনিয়াৰে প্ৰশিক্ষণ প্ৰদান কৰে। অনুষ্ঠানত সমাজকৰ্মী যুগল হাজৰিকা মাজুলীৰ পৰ্যটন ক্ষেত্ৰৰ বিষয়ে উল্লেখ কৰে।

০০০০০০০

যোৰহাট জিলাৰ বাহনা অঞ্চলত উত্তৰ-পূব যোৰহাট উপ-ক্ৰীড়া সন্থাৰ সহযোগত আজিৰেপৰা জয়ন্ত মাধৱ বৰা আৰু সঞ্জীৱ শইকীয়া সোঁৱৰণি আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ১২ টা দলৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতাৰ উদ্বোধনী খেলত কাকজান ক্ৰীড়া সন্থা ৰমাকান্ত এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীয়ে প্ৰতিযোগিতাখন উদ্বোধন কৰে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কাইলৈৰ পৰা শুকুৰবাৰলৈ অসম আৰু মেঘালয়ত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। বিভাগে লগতে নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত অহা ৭ দিনত ধাৰাসাৰ বৰষুণ হোৱাৰো আগলি বতৰা দিছে। অহা ২৪ ঘণ্টাত গুৱাহাটী মহানগৰীত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। ৰাজ্যখনৰ প্ৰধান ৫ খন চহৰ - গুৱাহাটী, শিলচৰ, ডিব্ৰুগড়, যোৰহাট আৰু গোৱালপাৰাত তাপমাত্ৰা গড়ে ৩৫ ডিগ্ৰী ছেলছিয়াছৰ পৰা ২৭ ডিগ্ৰী ছেলছিয়াছৰ ভিতৰত থাকিব।

০০০০০০০

**সমাপ্ত**